**প্ৰবন্ধ**

অসমৰ পৰ্য্যটন উদ্যোগ আৰু ইয়াৰ সম্ভাৱনা

- দীপিকা শইকীয়া

অসমৰ  পৰ্য্যটন বুলি কওঁতেই প্ৰিয়ংকা চোপ্ৰাৰ দ্বাৰা অভিনীত অসম পৰ্য্যটন বিভাগৰ দ্বাৰা প্ৰচাৰিত ভিডিঅ'টোলৈ মনত পৰিল। তাত দেখুওৱাৰ দৰে অসমত কি নাই! জৈৱ বৈচিত্ৰৰ পৰা আৰম্ভ কৰি বাৰে ৰহনীয়া কৃষ্টি - সংস্কৃতিলৈকে পৰ্যটনৰ সম্ভাৱনা থকা  প্ৰায়ভাগ সম্পদেৰে সমৃদ্ধ আমাৰ অসম। এই লিখাটোত আমি অসমত সম্ভাৱনা  থকা বিভিন্ন পৰ্য্যটনৰ বিষয়ে আলোচনা কৰিম।

১.আধ্যাত্মিক বা ধৰ্মীয় পৰ্য্যটন (spiritual or religious tourism)- এই পৰ্য্যটন হৈছে ধৰ্মীয় স্থলসমূহৰ লগত জড়িত।

কামৰূপ- সৰ্বত্ৰ চৰ্চিত কামাখ্যা মন্দিৰ, নৱগ্ৰহ মন্দিৰ, বশিষ্ঠ মন্দিৰ, উমানন্দ মন্দিৰ, অশ্বক্লান্ত মন্দিৰ, মনিকৰনেশ্বৰ দেৱালয়, বাইহাটা চাৰিআলিৰ মদন - কামদেৱ মন্দিৰ,বকোৰ পাৰ্বতী মন্দিৰ, হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ,পোৱামক্কাকে ধৰি বিভিন্ন ঐতিহাসিক ধৰ্মীয় স্থান কামৰূপত দেখিবলৈ পোৱা যায়।

মাজুলী - বৈষ্ণৱ ধৰ্মৰ প্ৰাণকেন্দ্ৰ য'ত সত্ৰ সমূহে শংকৰদেৱ আৰু মাধৱদেৱ গুৰু দুজনৰ সৃষ্ট

সত্ৰীয়া কৃষ্টি-সংস্কৃতিৰ সংৰক্ষণ কৰিছে।

নগাঁওৰ বটদ্ৰৱা থান, ধুবুৰীৰ মহামায়া থান,

শিৱ সাগৰৰ শিৱদৌল, বিষ্ণুদৌল,

দেৱীদৌল, তিনিচুকীয়াৰ টিলিঙা মন্দিৰ, ধেমাজিৰ মালিনী থান,  বাসুদেৱ থান,তেজপুৰৰ মহাভৈৰৱ মন্দিৰ, মাই থানলৈ যথেষ্ট ভক্তৰ সমাগম হয়।

২.জাতিগত পৰ্যটন( ethnic tourism)- প্ৰত্যেক জাতি-জনগোষ্ঠীৰে নিজা ভাষা, নীতি-নিয়ম, সাজ-পাৰ, গীত-নৃত্য, খাদ্যাভাস ইত্যাদি থাকে। তেওঁলোকৰ জীৱন ধাৰণ প্ৰণালীক দেখুৱাওৱাৰ বাবে গঢ়ি উঠা পৰ্যটনেই জাতিগত পৰ্যটন। বিভিন্ন জাতি-জনগোষ্ঠী আৰু তেওঁলোকৰ সংখ্যাগৰিষ্ঠ অঞ্চলসমূহ

বড়ো - বি টি ৰ অঞ্চল

মিচিং / দেউৰী - ধেমাজি, লখিমপুৰ, মাজুলী

ডিমাছা - ডিমা হাছাও

কাৰ্বি - কাৰ্বি আংলং

কোঁচ ৰাজবংশী - গোৱালপাৰা, বঙাইগাঁও

তিৱা - মৰিগাঁও

তাই -ফাকে- নামফাকে ইত্যাদি

ৰাভা - বকো, চানডুবি, গোৱালপাৰা ইত্যাদি

৩.পৰিৱেশ পৰ্যটন (Ecotourism) বুলিলে প্ৰাকৃতিক পৰিৱেশৰ ক্ষতি নকৰাকৈ বা জীৱ-জন্তুৰ বাসস্থানসমূহৰ ক্ষতি নকৰাকৈ অভিজ্ঞতা ল'ব বিচৰা পৰ্যটকসকলৰ বাবে আগবঢ়োৱা সেৱাকেই বুজা যায়। এই পৰ্যটনত প্ৰাকৃতিক এলেকালৈ দায়িত্বশীল ভ্ৰমণ, পৰিৱেশ সংৰক্ষণ আৰু স্থানীয় লোকসকলৰ উন্নয়ন অন্তৰ্ভুক্ত থাকে।

গ্ৰাম্য সমাজ প্ৰধান আমাৰ দেশত গ্ৰাম্য ভ্ৰমণেও এক সুস্থ অভিজ্ঞতা প্ৰদান কৰিব পাৰে।চৰাই-চিৰিকতি, লোক-সংস্কৃতি, পৰম্পৰাগত জীৱনশৈলী, ভৌগোলিক পৰিকাঠামো আদি সমলসমূহে পৰ্যটক আকৰ্ষণৰ মূল কাৰণ হৈ উঠিব পাৰে। 'হ'ম ষ্টে'ৰ ধাৰণাটোক

জনপ্ৰিয় কৰিব পাৰিলে অসমৰ গ্ৰাম্য অৰ্থনীতিতো এটা ধনাত্মক প্ৰভাৱ পৰিব ।

পৰিৱেশ পৰ্যটনৰ কিছু সুন্দৰ উদাহৰণ -

- ডিব্ৰু চৈখোৱা, নামেৰী , মানাহ, গিবন বনাঞ্চল,

- চাঁচনি মেৰবিল পৰিৱেশ পৰ্যটন প্ৰজেক্ট

- উমচৈ উপত্যকা, পশ্চিম কাৰ্বি আংলং (পাহাৰীয়া তিৱা জনগোষ্ঠীৰ বাসস্থান) ইত্যাদি

৪.নদী কেন্দ্ৰিক পৰ্যটন (river tourism)- বিভিন্ন দেশী বিদেশী পৰ্যটকৰ আগমনৰ প্ৰতি লক্ষ্য ৰাখি ছেপ্টেম্বৰ-অক্টোবৰ মাহৰ পৰা বাৰিষাৰ আগমনৰ সময়ছোৱালৈ ব্ৰহ্মপুত্ৰ নদীৰ বুকুত এক বিলাসী নৌকা বিহাৰ সেৱাৰ(প্ৰধানকৈ বিদেশী পৰ্যটকৰ বাবে)সুবিধা উপলব্ধ। ইয়াৰ বাহিৰেও দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ঘৰুৱা পৰ্যটকসকলৰ বাবে হ্ৰস্বম্যাদী সুবিধাযুক্ত(Short term package) নৌকা বিহাৰৰ ব্যৱস্থাও নিয়মীয়াকৈ উপলব্ধ হৈ আহিছে। উদাহৰণ : এম.ভি. মহাবাহু,এ.বি.এন চৰাইদেউ, এলফ্ৰেচক' গ্ৰেগু

৫. চাহ পৰ্যটন( tea tourism)- অসমৰ চাহ পৃথিৱী বিখ্যাত। ২০০ বছৰীয়া চাহৰ ঐতিহ্যৰে সেউজীয়া লানি লানি চাহ গছেৰে শুৱনি বাগানবোৰ অকল চকুৰে শুৱনিয়েই নহয়, লগতে চাহ জনগোষ্ঠীৰ সংস্কৃতিৰেও সমৃদ্ধ। বিখ্যাত চাহ

পৰ্যটনথলী কিছুমান -

- বিখ্যাত ৱাইল্ড মাহচিৰ (আদাবাৰী চাহ বাগিছা),শোণিতপুৰ

- বনিয়ান গ্ৰোভ, যোৰহাটৰ গাটোংগা চাহ বাগিছা

- কাজিৰঙা গল্ফ ৰি'জৰ্ট(শেনচোৱা চাহ বাগিছা)

-  ৰাথাই হেৰিটেজ বাংলো, তিনিচুকীয়া ইত্যাদি

৬.দু:সাহসিক পৰ্যটন ( avdenture tourism)- সুন্দৰ ভৌগোলিক অৱস্থানৰ বাবে অসমত খৰস্ৰোতা নৈ, জলপ্ৰপাত,পাহাৰ , বিল আদি পোৱা যায়।

ট্ৰেকিং, নাও চালনা, ৰিভাৰ ৰাফটিং, হাইকিং, ৰক ক্লাইমবিং, কেম্পিং, পেৰাগ্লাইডিং, পেৰাচেইলিং, ৰেপেলিং, জিপ লাইনিং ইত্যাদি কৰাৰ সুবিধা লাহে লাহে গঢ়ি উঠিছে। কেইখনমান জনপ্ৰিয়

দু:সাহসিক পৰ্যটনস্থলী -

ডিমা হাছাও জিলা -

গুঞ্জুং - পেৰাগ্লাইডিং

উমৰাংছু - ৰিভাৰ ৰাফটিং,কেম্পিং

টুমজাং, হেম্পেউপেত, চেইলকাল শিখৰ আৰোহণ

বগামাটি( বাক্সা জিলা) - চাইক্লিং, ৰাফটিং,ৰেপেলিং

দাংদুফুৰ পাহাৰ(চক্ৰশিলা অভয়াৰণ্য)-পেৰাগ্লাইদিঙ

গড়ভঙ্গা বনাঞ্চল/ আমচাং বনাঞ্চল- ৰক ক্লাইমবিং, ৰেপেলিং, জিপ লাইনিং

জীয়াভৰলী,মানাহ নৈ - ৰাফটিং, এংগলিং

৭. বন্যপ্ৰাণী পৰ্যটন ( wildlife tourism)- সাতখন ৰাষ্ট্ৰীয়  উদ্যান, উনৈশখন অভয়াৰণ্য আৰু বহুতো সংৰক্ষিত বনাঞ্চলেৰে অসম বন্যজীৱৰ ক্ষেত্ৰত অত্যন্ত চহকী। এশিঙীয়া গঁড়, হাতী, দেওহাঁহ, লাজুকী বান্দৰ, বিভিন্ন দেশীয় তথা পৰিভ্ৰমী চৰাই,সোণালী বান্দৰ, ঢেঁকীয়াপতীয়া বাঘ, বিভিন্ন প্ৰজাতিৰ পখিলা, হলৌ বান্দৰ, হাড়গিলা, উলু ম'ৰা(bengal florican) আদিকে ধৰি বিভিন্ন জীৱ-জন্তুৰে অসম বন্যজীৱ পৰ্যটনৰ অন্যতম কেন্দ্ৰবিন্দু।

অসমৰ পৰ্য্যটন উদ্যোগৰ লগত জড়িত সমস্যাসমূহ -

১. আন্ত:গাঁথনিৰ অভাৱ

২. প্ৰচাৰৰ অভাৱ

৩. দীৰ্ঘদিনীয়া ভাৱে পৰ্য্যটন নীতিৰ অভাৱ

৪.সঠিক পৰ্য্যটন নীতিৰ অভাৱ লগতে প্ৰয়োগৰ সমস্যা

অসম চৰকাৰৰ পদক্ষেপ পৰ্য্যটন প্ৰসাৰ প্ৰচাৰৰ ক্ষেত্ৰত  -

-অসম চৰকাৰে অসম পৰ্যটন বিল ২০২৪ আনিছে য'ত নৱগ্ৰহ মন্দিৰ, ভিমাশঙ্কৰ মন্দিৰ আৰু ৰংঘৰৰ উন্নয়ন আৰু সৌন্দৰ্যবৰ্দ্ধন কৰা হ'ব।

সাগৰমালাৰ প্ৰজেক্টৰ উদ্যোগত গুৱাহাটীত অৱস্থিত ইতিহাসপ্ৰসিদ্ধ কামাখ্যা, শুক্লেশ্বৰ, উমানন্দ, অশ্বক্লান্ত, চক্ৰেশ্বৰ আৰু দৌলগোবিন্দ মন্দিৰ আৰু আউনিআটি সত্ৰক ফেৰী সেৱাৰে সংযোগ কৰা হ'ব। মহানগৰীৰ উজান বজাৰৰ হনুমানঘাটৰ পৰা আৰম্ভ হ'ব এই যাত্ৰা।

--"আমাৰ আলহী" আঁচনি-( হ'ম ষ্টে) - পৰ্যটনস্থল সমূহৰ ওচৰৰ মানুহখিনিৰ ঘৰত পৰ্যটকৰ বাবে বাসযোগ্য সুবিধা গঢ়ি তোলাই হৈছে ইয়াৰ উদেশ্য।

- চাহ পৰ্যটন খণ্ডৰ আন্তঃগাঁথনিৰ প্ৰসাৰ আৰু উন্নয়ন আঁচনি - ঐতিহাসিক বঙলা সমূহৰ পুনৰ্নিৰ্মাণ , আধুনিক সা-সুবিধা তথা পৰ্যটনমুখী ব্যৱস্থাৰে সমৃদ্ধ কৰা।

- হায়াট (Hyatt) গ্ৰুপৰ লগত কাজিৰঙাত পঞ্চতাৰকা হোটেল নিৰ্মাণৰ বাবে MoU(বুজাবুজি পত্ৰ) স্বাক্ষৰ কৰা হৈছে ।

- টাটা ষ্ট্ৰাইভ (TATA Strive) গ্ৰুপৰ লগত পৰ্যটনৰ কৌশল বিকাশকেন্দ্ৰ সোণাপুৰত স্থাপনৰ (skill development centre) বাবে MoU(বুজাবুজি পত্ৰ) স্বাক্ষৰ কৰা হৈছে ।

- টাটা (TATA Group) গ্ৰুপৰ লগত কাজিৰঙাত চাহ পৰ্যটন ৰিজৰ্ট নিৰ্মাণৰ বাবে MoU(বুজাবুজি পত্ৰ) স্বাক্ষৰ কৰা হৈছে ।

- লগত কৌশল বিকাশ কেন্দ্ৰ সোণাপুৰত স্থাপনৰ (skill development centre) বাবে MoU(বুজাবুজি পত্ৰ) স্বাক্ষৰ কৰা হৈছে ।

চৰকাৰী তথা বেচৰকাৰী ভাবেও পৰ্যটন প্ৰসাৰৰ বাবে মাজুলী ফেষ্টিভেল, ফেলকন ফেষ্টিভেল, হস্তী মহোৎসৱ, ৰঙালী ফেষ্টিভেল, অম্বুবাচী মেলা আদি উদযাপন কৰা হয়।

২০২২ চনৰ ছেপ্তেম্বৰৰ পৰা ২০২৩ চনৰ ছেপ্তেম্বৰলৈ অসমলৈ অহা দেশীয় পৰ্যটকৰ সংখ্যা ৬১,৮৫,৬৩৯(১০৩ শতাংশ) আৰু বিদেশী পৰ্যটকৰ সংখ্যা ১৫,৩৩২(৫২৩ শতাংশ) বৃদ্ধি পাইছে ।

বৰ্তমান সময়ত বিশ্বৰ সকলো দেশেই পৰ্যটনৰ জৰিয়তে অৰ্থনৈতিক বিকাশৰ বাবে যত্ন কৰিছে। প্ৰাকৃতিক পৰিৱেশ, কলা-সংস্কৃতি, সামাজিক নীতি-নিয়ম

বোৰক অক্ষুণ্ন ৰাখি অৰ্থনৈতিক সংস্থাপনৰ বাট মুকলি কৰিব পৰা যায় । সেয়ে পৰ্যটনক ধোঁৱাবিহীন উদ্যোগ হিচাপে জনা যায়।

গতিকে পৰ্যটনৰ প্ৰসাৰ আৰু প্ৰচাৰৰ জৰিয়তে অসমক অৰ্থনৈতিক বিকাশৰ দিশত আগুৱাই

নিয়াটোৱেই

যুগৰ আহ্বান।

অসম অতীজৰে পৰাই ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু প্ৰাকৃতিক সম্পদৰ বাবে বিখ্যাত । কিন্তু লাহে লাহে উন্নয়নৰ নামত গছ-গছনি কটা, বনাঞ্চল ধ্বংস আদি বৰ সাধাৰণ কথা হৈ পৰিছে। অসমে ২০০১ ৰ পৰা ২০২০ লৈ ১৪.১ শতাংশ সেউজ আৱৰণ(green cover) হেৰুৱাইছে। পৰ্যটনৰ জৰিয়তে বহনক্ষম উন্নয়ন(sustainable development) সম্ভৱ, য'ত উন্নয়ন আৰু আৰ্থিক অৱস্থা দুয়োটাই আগবঢ়াই নিয়া সম্ভৱ ।গতিকে এইবাৰৰ ৫ জুনত প্ৰকৃতি সংৰক্ষণ আৰু অৰ্থনৈতিক উন্নয়ন দুয়োটাই একেলগে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত পৰ্যটনৰ সম্ভাৱনাৰ কথা চৰকাৰী,বেচৰকাৰী তথা সাধাৰণ ৰাইজ সকলোৱে গুৰুত্ব আৰোপ কৰা উচিত।

ই-মেইল: deepikasaikia17@gmail.com